**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-09-2025
**Time :** 1715 HRS

***Assamese Evening Bulletin***
**Headlines**
**------------------**

০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ আগমণৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক, নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষ তথা সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্য্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত বি জে পিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, বিত্ত মন্ত্ৰী অজন্তা নেওগ, মন্ত্ৰী অতুল বৰাকে ধৰি স্থানীয় বিধায়কসকল উপস্থিত থাকে। ড০ শৰ্মাই নুমলীগড়ৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰি উদ্বোধন কাৰ্যসূচীৰ প্ৰস্তুতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণক সন্মান জনাই নুমলীগড় আৰু মণিপুৰৰ মোৰে সংযোগী ৩৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা নুমলীগড় শোধনাগাৰক সংযোগ কৰা ২ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা প্ৰধানমন্ত্ৰী নিম আলিবাট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে ছশ নিম পুলি ৰোপণৰ ব্যৱস্থা কৰা হৈছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ উদ্যোগত আৰম্ভ কৰা এই পদক্ষপেৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই এটা নিম পুলি ৰোপণ কৰে।

উল্লেখযোগ্য যে নুমলীগড় শোধানাগাৰৰ ৫০ শতাংশ অংশীদাৰিত্বৰে নিৰ্মাণ কৰা এই প্ৰকল্পটো উদ্বোধনৰ বাবে সাজু হৈ উঠিছে। এই প্ৰকল্পটোৰ পৰা প্ৰতি বছৰে ৫০ হাজাৰ টন ইথানল, ১৮ হাজাৰ টন ফাৰ্ফিউৰেল আৰু ১১ হাজাৰ টন এচিটিক এছিড উৎপাদন কৰা হ'ব। অৱশিষ্ট লীগনিনৰ পৰা ২৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা যাব বুলি জৈৱ ইথানল প্ৰকল্পৰ পৰিচালন সঞ্চালকে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে দৰং জিলাত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০০০

অসম চৰকাৰে ৰাজ্যৰ প্ৰতিখন মহাবিদ্যালয়তে পৰ্যায়ক্ৰমে সকলো শাখা মুকলি কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি বৰপেটা জিলাৰ মধ্য কামৰূপ মহাবিদ্যালয়ৰ নতুন ভৱন আৰু এখন তোৰণ মুকলি কৰি এটা অনুষ্ঠানত দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ সাম্প্ৰতিক সময়ৰ চাহিদা অনুসৰি পুঠিগত শিক্ষাৰ লগতে ব্যৱহাৰিক শিক্ষাৰে ছাত্ৰ-ছাত্ৰীসকলক একবিংশ শতিকাৰ

উপযোগী হোৱাকৈ নিজক গঢ় দিবলৈ আহ্বান জনায়। এই লক্ষ্য আগত ৰাখি প্ৰতিখন মহাবিদ্যালয়ত বিজ্ঞান, কলা, বাণিজ্য আৰু বৃত্তিমুখী শাখা মুকলি কৰা হ'ব বুলি তেওঁ কয়। ৰাজ্যত ঔদ্যোগিকীকৰণৰ জৰিয়তে নিয়োগ সৃষ্টিত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে ছেমি কণ্ডাক্টৰ প্ৰকল্প আৰু মহিলা উদ্যমিতা আঁচনিৰ প্ৰসংগ উল্লেখ কৰে। ৰাজ্যত শিক্ষাবৰ্ষ সলনি কৰা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে এই বিষয়টো পৰীক্ষা কৰাৰ বাবে এখন সমিতি গঠন কৰি দিয়া হৈছে।

oooooooo

সাংসদ গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানী সংযোগ বিষয়ক সমস্ত বিষয়সমূহ পৰীক্ষা কৰাৰ বাবে গঠন কৰা বিশেষ তদন্ত গোট চমুকৈ এছ আই টিয়ে আজি সন্ধিয়া ৬ বজাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি বিয়লি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই কথা প্ৰকাশ কৰি কয়, যে প্ৰতিবেদন পৰীক্ষা কৰি চোৱাৰ পাছত এইক্ষেত্ৰত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

oooooooo

ৰাজ্যৰ বিভিন্ন ঠাইত আজি জ্ঞানপীঠ বঁটাৰে সন্মানিত কাব্যঋষি নীলমণি ফুকনৰ ৯৪ সংখ্যক ওপজা দিন উদযাপন কৰা হৈছে। ১৯৩৩ চনত ১০ ছেপ্তেম্বৰত গোলাঘাট জিলাৰ দেৰগাঁৱত জন্মগ্ৰহণ কৰা প্ৰয়াত নীলমণি ফুকনে কবিতা শীৰ্ষক স্বনিৰ্বাচিত কাব্যগ্ৰন্থৰ বাবে ১৯৮১ চনত সাহিত্য একাডেমী বঁটা লাভ কৰিছিল। তেওঁক ১৯৯০ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছে। নীলমণি ফুকনক সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০২০ বৰ্ষৰ জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছিল। ওপজা দিন উপলক্ষে গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ সাংস্কৃতিক প্ৰকল্পত আজি কবিতা গধুলিৰ পোহৰ -তিনি শীৰ্ষক এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জন্ম বাৰ্ষিকী উপলক্ষে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ড০ শৰ্মাই এটা বাৰ্তাযোগে কাব্য-শিল্পকলা, অধ্যাপনা, সমালোচনা সকলোতে বৰেণ্য কথাশিল্পীগৰাকীয়ে ˉ আমাৰ ভাষাসাহিত্য আৰু বৌদ্ধিক জগতখনক ˉধনাঢ্য কৰি থৈ গৈছে। সাহিত্যিকগৰাকীৰ অনন্য অনুপম সৃষ্টিয়ে অসমীয়া কথা শিল্পৰ ক্ষেত্ৰখনক সদায় প্ৰোজ্জ্বল কৰি ৰাখিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

সমাপ্ত